Acc.No. - 103

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

নিয়মীয়া বার্তা বৃহস্পতিবাৰ, ১ অক্টোবৰ ২০২৬ অসম

মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী কলেজৰ অধ্যাপক ড° জগন্নাথ বৰ্মনক বিদায় সম্বৰ্ধনা

নিয়মীয়া বার্তা, ৰামপুৰ, ৩০ ছেপ্টেম্বৰ ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৪ বছৰ ২ মাহ ৯ দিন দায়বদ্ধতাৰে অধ্যাপনা কৰি অবসৰগ্ৰহণ কৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক, সুলেখক ড° জগন্নাথ বৰ্মনক আজি মহাবিদ্যালয় পৰিয়ালে বিদায়-সম্বৰ্ধনা জনায়। অধ্যাপক ড° বৰ্মনৰ লগতে মহাবিদ্যালয়খনৰ কার্যালয় সহায়ক কল্পনা মজুমদাৰকো একেটা অনুষ্ঠানতে বিদায় জনোৱা হয়। এই উপলক্ষে আয়োজিত সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ইন্দ্ৰাণী দেৱীয়ে। অধ্যাপক ড° বৰ্মনে অধ্যাপক হিচাপেই



নহয়, 'ভাৰতীয় ভক্তি সাহিত্যত ৰাধা', 'ভাষা আৰু অসমীয়া ভাষাৰ কথা', 'নামনি অসমৰ লোক-সংস্কৃতি', 'নিজানত তেজৰ বাঁহী' (কাব্য সংকলন) আদিকে ধৰি কেইবাখনো গ্ৰন্থৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আজিৰ সভাখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিটো বিভাগৰ অধ্যাপক-অধ্যাপিকাই দুয়োগৰাকী ব্যক্তিক বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনলৈ তেওঁলোকৰ অৱদান সম্পৰ্কে বক্তব্য আগবঢ়ায়। সভাত গুৱাহাটি বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° বিমল মজুমদাৰ, অসম কলেজ শিক্ষক সংস্থাৰ কামৰূপ জিলাৰ সম্পাদক অধ্যাপক উপেন ডেকা, অভিভাৰক সংস্থাৰ সভাপতি ৰমেশ মহন্ত, বাষ্ট্ৰীয় সেৱা আঁচনিৰ তত্বাবধায়ক আৰু ছাত্ৰীসকল, অশিক্ষক কর্মচাৰী সংস্থা, ছাত্ৰী একতা সভাৰ বিষয়বীয়াসকলকে ধৰি মহাবিদ্যালয় পৰিয়াল উপস্থিত থাকে। সভাখনৰ আঁত ধৰে শিক্ষক গোটৰ সম্পাদক প্ৰশান্ত বৰাই।

নিয়মীয়া বার্তা – ১ অক্টোবৰ, ২০২৬. পৃ:-১১

NIYOMIYA BARTA - 1, october, 2026 P. - 11

Acc.No 104

Dakshin Kamrup Girls' College Library * Mirza * Estd. 1988

তিদিন ■ গুৱাহাটী ■ শনিবাৰ, ৩ অক্টোবৰ, ২০২৬/১৫ আহিন, ১৯৪৮ শক

প্ৰতিদিনৰ অসম

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপক-কার্যালয় সহায়কৰ বিদায় সম্বৰ্ধনা সভা

বামপুৰ, ২ অক্টোবৰ ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৪ বছৰ ৯ মাহ ২ দিন দায়বদ্ধতাৰে অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক, সুলেখক ড° জগন্নাথ বৰ্মনক ৩০ ছেপ্টেম্বৰত মহাবিদ্যালয় পৰিয়ালে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। অধ্যাপক ড° বৰ্মনৰ লগতে মহাবিদ্যালয়খনৰ কার্যালয় সহায়ক কল্পনা মজুমদাৰকো একেটা অনুষ্ঠানতে বিদায় জনোৱা হয়। এই উপলক্ষে আয়োজিত সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ইন্দ্ৰাণী দেৱীয়ে। সভাত তিনিখন গ্ৰন্থ ক্ৰমে

তিনিখন গ্ৰন্থ উন্মোচন

ড° জগন্নাথ বৰ্মনৰ 'ভাষা আৰু অসমীয়া ভাষাৰ কথা', জগন্নাথ বৰ্মন আৰু বিমল মজুমদাৰ ৰচিত 'বিখ্যাত লোকৰ প্ৰখ্যাত প্ৰেম কাহিনী' আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰস্তুত কৰা অভিনন্দন গ্ৰন্থ 'বৰ্মন ছাৰ' উন্মোচন কৰা হয়। সভাখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিটো বিভাগৰ অধ্যাপক-অধ্যাপিকাই দুয়োগৰাকী সম্বৰ্ধিত ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনলৈ তেওঁলোকৰ অৱদান সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° বিমল মজুমদাৰ, অসম কলেজ শিক্ষক সংস্থাৰ কামৰূপ জিলাৰ সম্পাদক তথা ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন ডেকা, অভিভাৰক সম্বাৰ সভাপতি ৰমেশ মহন্ত, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তত্ত্বাৱধায়ক আৰু ছাত্ৰীসকল, অনা-শিক্ষক-কর্মচাৰী সস্থা, ছাত্ৰী একতা সভাৰ বিষয়ৱীয়াসকলকে ধৰি মহাবিদ্যালয় পৰিয়াল উপস্থিত থাকে। সভাখনৰ আঁত ধৰে শিক্ষক গোটৰ সম্পাদক প্ৰশান্ত ৰবাই।



অসমীয়া প্রতিদিন - ৩ অক্টোবর, 2026. পৃ-৪

ASOMIYA PRATIDIN - 3, October, 2026. P-4